**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 28-05-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ দুদিনীয়া কাৰ্যসূচীৰে ছিকিম, পশ্চিমবংগ, বিহাৰ আৰু উত্তৰ প্ৰদেশ ভ্ৰমণ কৰিব।

২। পাকিস্তানে সীমান্তৰে চলোৱা সন্ত্ৰাসবাদক বিশ্বজুৰি উদঙাই দেখুওৱাৰ প্ৰচেষ্টাৰ অংশ হিচাপে বিশ্বৰ বিভিন্ন প্ৰান্তলৈ প্ৰেৰণ কৰা বহুদলীয় প্ৰতিনিধি দলৰ আলোচনা অব্যাহত আছে।

৩। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ জ্যেষ্ঠ অধিবক্তা শ্বামিমা জাহানে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অতিৰিক্ত ন্যায়াধীশৰূপে আজি শপতগ্ৰহণ কৰে।

৪। দেশত কাইলৈ বিকশিত কৃষি সংকল্প অভিযান আৰম্ভ হ'ব।

আৰু

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কাইলৈ প্ৰথমখন কোৱালিফায়াৰ খেলত ৰয়েল চেলেঞ্জাৰ্চ বেংগালুৰু পঞ্জাব কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে কাইলৈ দুদিনীয়া ভ্ৰমণসূচীৰে চিক্কিম, পশ্চিমবংগ, বিহাৰ আৰু উত্তৰ প্ৰদেশ ভ্ৰমণ কৰিব। চিক্কিম ভ্ৰমণকালত প্ৰধানমন্ত্ৰীয়ে ‘Sikkim@50’ অনুষ্ঠানত অংশগ্ৰহণ কৰিব। এই ভ্ৰমণকালতে প্ৰধানমন্ত্ৰীগৰাকীয়ে ৰাজ্যখনৰ কেইটামান প্ৰকল্পৰ শিলান্যাস কৰাৰ লগতে বহুমুখী উন্নয়ন প্ৰকল্প মুকলি কৰি এখন জনসভাত ভাগ ল'ব। ইয়াৰ পাছতে শ্ৰী মোদী পশ্চিমবংগলৈ ৰাওনা হ'ব আৰু তাত তেওঁ আলিপুৰদুৱাৰৰ কোচবিহাৰৰ নগৰ গেছ বিতৰণ প্ৰকল্পৰ শিলান্যাস কৰিব। একেদৰে প্ৰধানমন্ত্ৰীয়ে বিহাৰত উপস্থিত হৈ পাটনা বিমানবন্দৰত এটা নতুন টাৰ্মিনেল ভৱন উদ্বোধন কৰিব।

পাছদিনা প্ৰধানমন্ত্ৰী শ্ৰীমোডীয়ে বিহাৰৰ কাৰাকটত কেইবাটাও প্ৰকল্পৰ উদ্বোধন আৰু শিলান্যাস কৰাৰ লগতে ৪৮ হাজাৰ ৫২০ কোটি মূল্যৰ বহুমুখী উন্নয়ন প্ৰকল্প ৰাষ্ট্ৰৰ নামত উৎসৰ্গা কৰিব। তাত প্ৰধানমন্ত্ৰী শ্ৰী মোডীয়ে এখন ৰাজহুৱা সভাত অংশ ল'ব। প্ৰধানমন্ত্ৰীগৰাকীয়ে ইয়াৰ পাছত উত্তৰ প্ৰদেশ ভ্ৰমণ কৰি কাণপুৰত প্ৰায় ২০ হাজাৰ ৯০০ কোটি টকা ব্যয়সাপেক্ষ বহুমুখী উন্নয়ন প্ৰকল্পৰ শিলান্যাস স্থাপনৰ লগতে ইয়াৰে কেইবাটাও প্ৰকল্প উদ্বোধন কৰিব। উত্তৰ প্ৰদেশ প্ৰধানমন্ত্ৰীগৰাকীয়ে এখন জনসভাতো অংশ ল'ব।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিনায়ক দামোদৰ ছাৱাৰকাৰৰ জন্মবাৰ্ষিকী উপলক্ষে স্বাধীনতা সংগ্ৰামীগৰাকীলৈ শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰে। প্ৰধানমন্ত্ৰীয়ে সামাজিক মাধ্যমযোগে কয়, যে ছাৱাৰকাৰ ভাৰত মাতৃৰ প্ৰকৃত সন্তান আছিল আৰু ব্ৰিটিছ চৰকাৰৰ কঠোৰ আতিশায্যইও ছাৱাৰকাৰৰ মাতৃভূমিৰ প্ৰতি সমৰ্পণৰ ভাৱ কম কৰিব পৰা নাছিল। শ্ৰী মোদীয়ে কয়, যে কৃতজ্ঞ ৰাষ্ট্ৰই তেওঁৰ অদম্য সাহসৰ গাঁথা আৰু স্বাধীনতা আন্দোলনত তেওঁৰ সংগ্ৰামৰ কথা কেতিয়াও পাহৰিব নোৱাৰে। ছাৱাৰকাৰৰ দেশৰ প্ৰতি ত্যাগ আৰু সমৰ্পণে দেশক এখন উন্নত ৰাষ্ট্ৰৰূপে গঢ়ি তোলাত পথ দেখুৱাই যাব বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে।

প্ৰধানমন্ত্ৰী মোদীয়ে এন টি ৰামাৰাওৰ জন্মবাৰ্ষিকী উপলক্ষেও নেতাগৰাকীলৈ শ্ৰদ্ধা নিবেদন কৰিছে। ৰামাৰাওৰ সমাজৰ প্ৰতি সেৱা আৰু দুখীয়া তথা নিপীড়িত সকলৰ সবলীকৰণৰ বাবে চলোৱা প্ৰচেষ্টাৰ বাবে প্ৰশংসাৰ পাত্ৰ বুলি শ্ৰী মোদীয়ে সামাজিক মাধ্যমযোগে প্ৰকাশ কৰিছে। তেওঁ লগতে কয়, যে এন টি ৰামাৰাওৰ কথাছবিসমূহে দৰ্শকসকলক আপ্লুত কৰি আহিছে আৰু সকলোৱে তেওঁৰ পৰা অনুপ্ৰাণিত হৈ আহিছে।

ooooooooo

পাকিস্তানে সীমান্তৰে চলোৱা সন্ত্ৰাসবাদক বিশ্বজুৰি উদঙাই দেখুওৱাৰ প্ৰচেষ্টাৰ অংশ হিচাপে বিশ্বৰ বিভিন্ন প্ৰান্তলৈ প্ৰেৰণ কৰা বহুদলীয় প্ৰতিনিধি দলকেইটাই ভিন ভিন দেশৰ নেতা, সাংসদ, চিন্তাবিদ, সংবাদ জগত আৰু অসামৰিক সমাজৰ আগশাৰীৰ ব্যক্তিৰ সৈতে আলোচনাত মিলিত হৈছে। এই আলোচনাত সন্ত্ৰাসবাদৰ প্ৰতি ভাৰতৰ শূন্য সহনশীলতাৰ নীতি প্ৰতিফলিত হোৱা পৰিলক্ষিত হৈছে। দক্ষিণ আফ্ৰিকাত এন চি পি পিৰ শাৰদ পাৱাৰ গোটৰ সাংসদ সুপ্ৰিয়া সুলেৰ নেতৃত্বত বহুদলীয় প্ৰতিনিধি দলটোৱে সীমান্তৰে চলোৱা সন্ত্ৰাসবাদৰ প্ৰতি ভাৰত শূন্য সহনশীলতাৰ নীতিৰ পোষকতা কৰে। সীমান্তৰ সিপাৰৰ পৰা চলি অহা সন্ত্ৰাসবাদৰ পৰিকাঠামো ধ্বংস কৰাৰ প্ৰয়োজনীয়তাত গুৰুত্ব দি দলটোৱে সন্ত্ৰাসবাদী গোট আৰু তেওঁলোকৰ পৃষ্ঠপোষকৰ মাজত থকা সম্বন্ধ ধ্বংস কৰি দিয়াৰো পোষকতা কৰে।

ইপিনে, পানামা ভ্ৰমণৰত কংগ্ৰেছ সাংসদ শশী থাৰু নেতৃত্বাধীন বহুদলীয় প্ৰতিনিধিৰ দলটোৱে কালি দেশখনৰ সংসদৰ অধ্যক্ষ ডানা কাষ্টানেডাৰ সৈতে বৈঠকত মিলিত হয়। বৈঠকত শ্ৰী থাৰুৰে কয়, যে ভাৰত যুদ্ধ আৰম্ভ কৰাৰ প্ৰতি আগ্ৰহী নাছিল যদিও দেশে সন্ত্ৰাসবাদী কাৰ্যকলাপৰ সৈতে জড়িতসকলক উচিত শাস্তি বিহাৰ আৱশ্যকতা অনুভৱ কৰিছিল। পাকিস্তান পেহেলগাম আক্ৰমণৰ ষড়যন্ত্ৰকাৰীসকলৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰাত ব্যৰ্থ হোৱাৰ পৰিপ্ৰেক্ষিতত ভাৰতে সন্ত্ৰাসবাদৰ পৰিচিত ঘাটিসমূহক লক্ষ্য কৰি আক্ৰমণ চলাবলৈ বাধ্য হৈছিল বুলি শ্ৰী থাৰুৰে প্ৰকাশ কৰে। তেওঁ লগতে পানামাত সন্ত্ৰাসবাদ বিৰোধী যুঁজত ভাৰতক সহায় কৰিবলৈ আৰু সন্ত্ৰাসবাদী আক্ৰমণৰ ষড়যন্ত্ৰকাৰীসকলক চিনাক্ত কৰিবলৈ আৰু শাস্তি প্ৰদান কৰাৰ ক্ষেত্ৰত হেঁচা প্ৰয়োগ কৰিবলৈ আহ্বান জনায়। পাকিস্তানৰ ভূমিকা সন্দৰ্ভত মত প্ৰকাশ কৰি শ্ৰী থাৰুৰে কয়, যে ইছলামাবাদ মহলে বাৰে বাৰে ভাৰতক আক্ৰমণ কৰি আহিছে কিয়নো দেশখনে ভাৰতৰ সাৰ্বভৌম এটা অংশ দখল কৰিব বিচাৰে।

ooooooooo

গুৱাহাটী উচ্চ ন্যায়ালয়ৰ জ্যেষ্ঠ অধিবক্তা শ্বামিমা জাহানে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অতিৰিক্ত ন্যায়াধীশৰূপে আজি শপতগ্ৰহণ কৰে। আজি দিনৰ ১০ বজাত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নতুন ভৱনত আয়োজিত এটা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত মুখ্য ন্যায়াধীশ বিজয় বিষ্ণুয়ে-শ্বামিমা জাহানক কাৰ্যভাৰ গ্ৰহণ আৰু গোপনীয়তা ৰক্ষাৰ শপত বাক্য পাঠ কৰোৱায়। শপতগ্ৰহণ অনুষ্ঠানত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশসকল, উচ্চপদস্থ চৰকাৰী বিষয়া আৰু ভালেকেইগৰাকী জ্যেষ্ঠ অধিবক্তা উপস্থিত আছিল। উল্লেখযোগ্য যে কেন্দ্ৰীয় আইন আৰু ন্যায় মন্ত্ৰালয়ে পৰহি শ্বামিমা জাহানসহ ৭ গৰাকী জ্যেষ্ঠ অধিবক্তাক দেশৰ বিভিন্ন উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশৰূপে নিযুক্তি দিছিল।

ooooooo

দেশত কাইলৈ বিকশিত কৃষি সংকল্প অভিযান আৰম্ভ হ'ব। কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানৰ উপস্থিতিত ওড়িশাৰ পুৰীৰ পৰা এই অভিযান আৰম্ভ কৰা হ'ব। অহা ১২ জুনলৈ চলিবলগীয়া এই অভিযানত সমগ্ৰ দেশৰ ৭০০ৰো অধিক জিলা সামৰি লোৱা হ'ব। কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰালয়ে এটা বিবৃতিত প্ৰকাশ কৰা মতে এই ১৫ দিনীয়া অভিযানৰ সময়ত শ্ৰীচৌহানে কমেও ২০খন ৰাজ্য ভ্ৰমণ কৰি কৃষক আৰু বিজ্ঞানীসকলক উৎসাহিত কৰাৰ উপৰি তেওঁলোকৰ সৈতে প্ৰত্যক্ষ আলোচনাত মিলিত হ'ব। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ভ্ৰমণ কৰিবলগীয়া ৰাজ্যকেইখন হৈছে অসম, মেঘালয়, কৰ্ণাটক, তামিলনাডু, তেলেংগানা, অন্ধ্ৰ প্ৰদেশ, বিহাৰ, ছত্তিশগড়, উত্তৰ প্ৰদেশ, মধ্য প্ৰদেশ, দিল্লী, হাৰিয়ানা, পঞ্জাব, মহাৰাষ্ট্ৰ, জম্মু, ৰাজস্থান আৰু গুজৰাট। এই অভিযানৰ জৰিয়তে বিভিন্ন প্ৰান্তত হোৱা খাৰিফ শস্যৰ বাবে অত্যাধুনিক প্ৰযুক্তি বিষয়ে কৃষকসকলক অৱগত কৰোৱা আৰু চৰকাৰৰ কৃষি আঁচনি তথা নীতিসমূহৰ ক্ষেত্ৰত সজাগতা সৃষ্টি কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। এই অভিযানৰ অধীনত বিভিন্ন

গোটে কৃষকসকলক শস্য নিৰ্ধাৰণ আৰু নিৰ্দিষ্ট পৰিমাণৰ সাৰ ব্যৱহাৰৰ বাবে ভূমি স্বাস্থ্য পত্ৰৰ ব্যৱহাৰৰ বিষয়ে অৱগত কৰাৰ উপৰি কৃষক আধাৰিত উদ্ভাৱন আৰু গৱেষণাৰ ক্ষেত্ৰত তেওঁলোকৰ মতামত সংগ্ৰহ কৰিব।

০০০০০

বৈদেশিক সচিব বিক্ৰম মিশ্ৰীয়ে আজি আমেৰিকা যুক্তৰাষ্ট্ৰৰ অবৰ সচিব জেফ্ৰি কেছলৰক সাক্ষাৎ কৰে আৰু গুৰুত্বপূৰ্ণ তথা নৃত্য নতুন প্ৰযুক্তিৰ ক্ষেত্ৰত সহযোগিতা সুদৃঢ় কৰাৰ বিষয় লৈ আলোচনা কৰে। দুয়ো পক্ষই লগতে উভয় দেশৰ মাজত প্ৰযুক্তি আৰু বাণিজ্যিক সহযোগিতা অধিক সুদৃঢ় কৰি তোলাৰ উদ্দেশ্যে শীঘ্ৰে ভাৰত-আমেৰিকা কৌশলগত বাণিজ্য আলোচনা আয়োজন কৰাৰ বিষয় লৈ মত বিনিময় কৰে।

০০০০০০০০০

মণিপুৰৰ গোৱালটাবিৰ ঘটনা সন্দৰ্ভত কেন্দ্ৰীয় চৰকাৰে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব বুলি ৰাজ্যখনৰ নাগৰিক মণ্ডলক আশ্বাস দিছে। মণিপুৰৰ সাম্প্ৰতিক পৰিস্থিতিৰ সৌহাৰ্দ্যপূৰ্ণ সমাধানৰ বাবে ৰাজ্যখনৰ নাগৰিক সমাজ সংগঠনৰ শীৰ্ষ সংস্থা **কো-অৰ্ডিনেটিং কমিটী অন মণিপুৰ ইণ্টিগ্ৰিটী** চমুকৈ কোকোমিৰ সাতজন সদস্যৰ এটা প্ৰতিনিধি দলে কালি নতুন দিল্লীত গৃহ মন্ত্ৰালয়ৰ শীৰ্ষ বিষয়াসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। মন্ত্ৰালয়ে কোকোমিৰ প্ৰতিনিধি দলটোক এই সপ্তাহৰ আৰম্ভণিতে বিশেষ আমন্ত্ৰণ জনাইছিল। গৃহ মন্ত্ৰালয়ৰ উত্তৰ-পূব শাখাৰ বাবে থকা উপদেষ্টা এ কে মিশ্ৰ আৰু যুটীয়া সঞ্চালক ৰাজেশ কামলেই মন্ত্ৰালয়ৰ হৈ প্ৰতিনিধিত্ব কৰে। প্ৰতিনিধি দলটোৱে যোৱা ৩ মে'ত ইম্ফলত আয়োজিত গণ সমাবেশত গ্ৰহণ কৰা প্ৰস্তাৱ সন্দৰ্ভত জনসাধাৰণৰ অনুভূতিৰ প্ৰতি সঁহাৰি জনাবলৈ মন্ত্ৰালয়ক আহ্বান জনায়। বৈঠকত শেহতীয়া গোৱালটাবিৰ ঘটনাত সেনাবাহিনীৰ এটা দলে মণিপুৰ ৰাজ্যিক পৰিবহণ বিভাগৰ বাছৰ পৰা মণিপুৰ শব্দটো আঁতৰাবলৈ ৰাজ্যখনৰ সাংবাদিকৰ এটা দলক নিৰ্দেশ দিয়াক কেন্দ্ৰ কৰি সৃষ্টি হোৱা বিতৰ্কৰ বিষয়ে আলোচনা কৰা হয়। সংস্থাটোৱে লগতে এই সংঘৰ্ষক লৈ কোকোমি আৰু অন্যান্য অংশীদাৰসকলৰ স্থিতি সন্দৰ্ভতো আলোকপাত কৰে।

ইপিনে, কোকোমিয়ে আহ্বান জনোৱা গণ অসহযোগ আন্দোলনৰ কালি তৃতীয় দিনাও এই ঘটনাক লৈ জনসাধাৰণে ৰাজ্যখনৰ ৰাজ্যপাল অজয় কুমাৰ ভাল্লাক ক্ষমা খোজাৰ দাবী জনাই বিভিন্ন অঞ্চলত প্ৰতিবাদ সাব্যস্ত কৰে।

০০০০০০০

মণিপুৰত যোৱানিশা ১ বাজি ৫৪ মিনিটত ৰিখটাৰ স্কেলত ৫ দশমিক ২ প্ৰাবল্যৰ এটা মৃদু ভূমিকম্পৰ জোকাৰণি অনুভূত হয়। এই ভূমিকম্পৰ অভিকেন্দ্ৰ মণিপুৰৰ বিষ্ণুপুৰ জিলাৰ মৈৰাঙত আছিল। এই ভূমিকম্পৰ পাছতে ৰিখটাৰ স্কেলত ৫ দশমিক ৩ প্ৰাবল্যৰ আন এটা ভূমিকম্পই ৰাজ্যখন জোকাৰি যায়। এই ভূমিকম্পৰ অভিকেন্দ্ৰ কাকচিং জিলা বুলি জানিব পৰা গৈছে। অসম আৰু নাগালেণ্ডৰ কেতবোৰ ঠাইতো এই ভূমিকম্পৰ জোকাৰণি অনুভূত হয়।

০০০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কাইলৈ প্ৰথমখন কোৱালিফায়াৰ খেলত ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৱে পঞ্জাব কিংছৰ বিৰুদ্ধে খেলিব। প্ৰতিযোগিতাৰ পইণ্ট তালিকাৰ তৃতীয় স্থানত থকা গুজৰাট টাইটানছ অহা শুকুৰবাৰে মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে এলিমিনেটৰ খেলাত অৱতীৰ্ণ হ'ব। যোৱা নিশা লক্ষ্ণৌৰ একানা ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত গ্ৰুপ পৰ্যায়ৰ অন্তিমখন খেলত ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৱে লক্ষ্ণৌ ছুপাৰ জায়েণ্টছক ৬ উইকেটত পৰাস্ত কৰে। এই জয়ৰ সুবাদত বেংগালুৰুৱে এই বছৰৰ আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ পইণ্ট তালিকাৰ শীৰ্ষৰ দুটা দলৰ ভিতৰত স্থান লাভ কৰিছে। তালিকাত পঞ্জাব শীৰ্ষ স্থানত আছে।

ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৱে ২২৮ ৰাণৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ভাৰপ্ৰাপ্ত অধিনায়ক জিতেশ শৰ্মাৰ ৮৫ আৰু বিৰাট কোহলিৰ ৫৪ ৰাণৰ সহায়ত ১৮ অ'ভাৰ ৪টা বলতে মাত্ৰ চাৰিটা উইকেট হেৰুৱাই ২৩০ ৰাণ কৰে। জিতেশ শৰ্মাক প্লেয়াৰ অব দা মেচ হিচাপে ঘোষণা কৰা হয়।

০০০০০

সমাপ্ত